**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 24-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। জোহান্সবাৰ্গত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ সুযোগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি কেইবাগৰাকী বিশ্বনেতাৰ সৈতে বৈঠকত মিলিত হয়।

২। নতুন দিল্লীত আজি ষষ্ঠ আন্তঃৰাষ্ট্ৰীয় কৃষি বিজ্ঞান সন্মিলন ২০২৫ অনুষ্ঠিত হ'ব।

৩। ন্যায়াধীশ সূৰ্য কান্তে আজি দেশৰ ৫৩ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰিব।

৪। শিখসকলৰ নৱম গুৰু, গুৰু টেগ বাহাদুৰৰ ৩৫০ সংখ্যক বলিদান দিৱস আজি সমগ্ৰ দেশতে পালন কৰা হ'ব। ***আৰু***

৫। গুৱাহাটীত অনুষ্ঠিত দ্বিতীয় ক্ৰিকেট টেষ্টৰ আজি তৃতীয় দিনা ভাৰতে কালি এটাও উইকেট নেহেৰুওৱাকৈ সংগ্ৰহ কৰা ৯ ৰানৰ পৰা নিজৰ প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰিব।

০০০০০

জোহান্সবাৰ্গত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ সুযোগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি কেইবাগৰাকী বিশ্বনেতাৰ সৈতে বৈঠকত মিলিত হয়। শ্ৰীমোদীয়ে ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেল'নিক সাক্ষাৎ কৰি বাণিজ্য, বিনিয়োগ, প্ৰতিৰক্ষা, উদ্ভাৱন, কৃত্ৰিম বুদ্ধিমত্তা, মহাকাশ আৰু শিক্ষা খণ্ডত সম্পৰ্ক সুদৃঢ় কৰাৰ সন্দৰ্ভত ফলপ্ৰসু আলোচনা কৰে। দুয়োগৰাকী নেতাই গোলকীয় সুৰক্ষাৰ প্ৰতি থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ পৰিপ্ৰেক্ষিতত সন্ত্ৰাসবাদৰ প্ৰতি বিত্তীয় সাহায্যৰ বিৰুদ্ধে সহযোগিতা বৃদ্ধিৰ বাবে যুটীয়া পদক্ষেপ মুকলি কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ভাৰত-ইটালী কৌশলগত অংশীদাৰিত্ব ক্ৰমান্বয়ে বৃদ্ধি পাইছে আৰু ইয়াৰ ফলত দুয়োখন ৰাষ্ট্ৰৰ জনসাধাৰণৰ বিশেষভাৱে উপকৃত হৈছে। প্ৰধানমন্ত্ৰী মেল'নিয়ে দিল্লীত শেহতীয়াকৈ সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত নিহত সকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। তেওঁ লগতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে একেলগে কাম কৰাৰ বাবে ইটালীৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। শ্ৰীমতী মেল'নিয়ে পাৰস্পৰিকভাৱে উপকৃত হ'ব পৰা ভাৰত-ইউৰোপীয় সংঘ মুক্ত বাণিজ্য চুক্তিৰ সামৰণিৰ বাবে আৰু অহা বছৰ ভাৰতে আয়োজন কৰা **এ আই ইম্পেক্ট সন্মিলন**ৰ সফলতাৰ ক্ষেত্ৰত ইটালীৰ সমৰ্থনৰ কথা দোহাৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নেৰ সৈতেও বৈঠকত মিলিত হয়। দুয়োগৰাকী নেতাই অনাগত সময়ত বিভিন্ন খণ্ডত বিশেষকৈ বাণিজ্য, বিনিয়োগ, প্ৰযুক্তি আৰু উদ্ভাৱন, শক্তি আৰু শিক্ষা খণ্ডত দ্বিপাক্ষিক সম্পৰ্ক বৃদ্ধি কৰাৰ বাবে সন্মতি প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে তেওঁলোকে লগতে প্ৰতিৰক্ষা আৰু মহাকাশ খণ্ডত সহযোগিতা সুদৃঢ় কৰাৰ বাবে সম্ভাব্য দিশসমূহ উদ্ভাৱনৰ ক্ষেত্ৰত সমৰ্থন প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয়, যে কানাডাই আয়োজন কৰা জি-ছেভেন শীৰ্ষ সন্মিলনৰ সময়ৰে পৰা দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কই বিশেষ গতি লাভ কৰিছে। ভাৰত আৰু কানাডাৰ মাজত বাণিজ্য আৰু বিনিয়োগ শক্তিশালী কৰাৰ বাবে যথেষ্ট সম্ভাৱনা আছে বুলি

প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। বৈঠকত দুয়োগৰাকী নেতাই ২০৩০ চনৰ ভিতৰত দ্বিপাক্ষিক বাণিজ্য দুগুণ কৰি ৫০ বিলিয়ন ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্যৰে ব্যাপক অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি সন্দৰ্ভত আলোচনা আৰম্ভ কৰাৰ বাবে সন্মতি প্ৰকাশ কৰে। দুয়ো পক্ষই লগতে তেওঁলোকৰ দীৰ্ঘদিনীয়া অসামৰিক পাৰমাণৱিক সহযোগিতা পুনৰ নিশ্চিত কৰে।

০০০০০

নতুন দিল্লীত আজি ষষ্ঠ আন্তঃৰাষ্ট্ৰীয় কৃষি বিজ্ঞান সন্মিলন ২০২৫ অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে এই সন্মিলন মুকলি কৰিব। তিনিদিনীয়াকৈ আয়োজন কৰা এই সন্মিলনত বিভিন্ন কাৰ্যসূচীৰ লগতে প্ৰদৰ্শনী আৰু যুৱ বিজ্ঞানী তথা শিক্ষাৰ্থী সমাৰোহো অনুষ্ঠিত হ'ব। এই সন্মিলনৰ এহেজাৰতকৈ অধিক বিশ্বৰ প্ৰতিনিধি সাক্ষী হোৱাৰ লগতে বিশ্বমানৰ বৈজ্ঞানিক আলাপ-আলোচনাৰ এখন মঞ্চ হিচাপে সেৱা আগবঢ়াব বুলি কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে আশা প্ৰকাশ কৰিছে। এই সন্মিলনত বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ বিশেষজ্ঞসকলে অংশগ্ৰহণ কৰাৰ লগতে কৃষি বিশ্ববিদ্যালয়সমূহৰ উপাচাৰ্য, আই চি এ আৰৰ উপ-সঞ্চালকপ্ৰধান, ঔদ্যোগিক প্ৰতিনিধি আৰু আগশাৰীৰ কৃষি ব্যৱসায়িক উদ্ভাৱকসকলেও অংশগ্ৰহণ কৰিব। এই বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় কৃষি বিজ্ঞান সন্মিলন ২০২৫ বিষয়বস্তু হৈছে- 'RE-ENVISIONING AGRONOMY FOR SMART AGRO-FOOD SYSTEMS AND ENVIRONMENTAL PROTECTION' অধিক উৎপাদনক্ষম, জলবায়ু অনুকুল, বহনক্ষম পৰিৱেশ তন্ত্ৰ আৰু সুষম খাদ্য সুৰক্ষা আদি বিষয়সমূহ এই সন্মিলনত আলোকপাত কৰা হ'ব।

০০০০০

ন্যায়াধীশ সূৰ্য কান্তে আজি দেশৰ ৫৩ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত ন্যায়াধীশগৰাকীক দেশৰ মুখ্য ন্যায়াধীশ হিচাপে পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱাব। ন্যায়াধীশ বি আৰ গাভাইৰ কাৰ্যকাল কালি সামৰণি পৰাৰ পাছত ন্যায়াধীশ সূৰ্য কান্তে তেওঁৰ প্ৰায় ১৫ মাহৰ কাৰ্যকাল আৰম্ভ কৰিব। যোৱা ৩০ অক্টোবৰত ন্যায়াধীশ কান্তক দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হৈছিল। ২০২৭ চনৰ ৯ ফেব্ৰুৱাৰীত তেওঁৰ কাৰ্যকালৰ অন্ত পৰিব।

০০০০০

শিখসকলৰ নৱম গুৰু, গুৰু টেগ বাহাদুৰৰ ৩৫০ সংখ্যক বলিদান দিৱস আজি সমগ্ৰ দেশতে পালন কৰা হ'ব। ১৬৭৫ চনত মোগল সম্ৰাট ঔৰংজেবৰ আদেশমৰ্মে গুৰু টেগ বাহাদুৰক মৃত্যু দণ্ড দিয়া হৈছিল। গুৰু টেগ বাহাদুৰে দেশৰ বিভিন্ন ঠাইলৈ গৈ গুৰু নানকদেৱৰ শিক্ষা প্ৰচাৰ কৰিছিল। তেওঁ ১১৬টা শবদ আৰু ১৫টা ৰাগ ৰচনা কৰিছিল। তেওঁৰ শিক্ষাসমূহ গুৰু অৰ্জন দেব জীৰ **আদি গ্ৰন্থত** উল্লেখ কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বলিদান দিৱস উপলক্ষে গুৰু টেগ বাহাদুৰৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ মানৱীয়তা আৰু সততাৰ প্ৰশংসা কৰে। শ্ৰীমতী মুৰ্মুৱে কয়, যে গুৰু টেগ বাহাদুৰৰ শিক্ষাই জনসাধাৰণক ন্যায়ৰ পথ অনুসৰণ কৰিবলৈ আৰু দেশৰ একতা আৰু সমৃদ্ধিৰ হকে কাম কৰিবলৈ অনুপ্ৰাণিত কৰি আহিছে।

০০০০০

চত্তিশগড় আৰক্ষীয়ে কালি দুটা পৃথক অভিযানত ৭ জন মাওবাদীক গ্ৰেপ্তাৰ কৰাৰ লগতে বুজন পৰিমাণৰ বিস্ফোৰক সামগ্ৰী জব্দ কৰে। নাইমেড আৰক্ষী আৰু কোব্ৰা টু হাণ্ড্ৰেড টেন ৰিজেমেণ্টে চলোৱা প্ৰথমটো যুটীয়া অভিযানত কাণ্ডাকা-জাপেলি বনাঞ্চলৰ পৰা বিস্ফোৰকসহ ৫ জন মাওবাদীক গ্ৰেপ্তাৰ কৰা হয়। ইপিনে ভূপাল পন্নম আৰক্ষীয়ে মট্টিমাৰ্কা পথত অভিযান চলাই বিস্ফোৰকসহ দুজন মাওবাদীক গ্ৰেপ্তাৰ কৰে। ধৃত মাওবাদীকেইজনৰ পৰা এটা টিফিন বম্ব, এটা ডিট'নেটৰ, বৈদ্যুতিক তাঁৰ আৰু কৰ্ডেক্স তাঁৰ উদ্ধাৰ কৰা হয়।

০০০০০

অযোধ্যাৰ শ্ৰীৰাম জন্মভূমি তীৰ্থক্ষেত্ৰৰ ধৰ্মধবজা উত্তোলন কাৰ্যসূচী উপলক্ষে কাইলৈ বিশেষ পৰ্ব অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কাৰ্যসূচীত অংশ ল'ব। তেওঁ লগতে অযোধ্যা চহৰত এটা ৰোড শ্ব'তো ভাগ ল'ব। উল্লেখযোগ্য যে মন্দিৰৰ নিৰ্মাণকাৰ্যৰ সামৰণি উপলক্ষে ধবজাৰোহণ কাৰ্যসূচীৰ বাবে পূৰ্ণ প্ৰস্তুতি চলি আছে। কালি ধৰ্ম ধবজাৰোহণ কাৰ্যসূচীৰ তৃতীয় দিনা শ্ৰীৰাম জন্মভূমি তীৰ্থক্ষেত্ৰত বৈদিক আচাৰ্যসকলে গণপতি পূজা, পানচাং পূজা আৰু ছ'দাশা মাতৃকা পূজা কৰে।

০০০০০

গুৱাহাটীৰ বৰ্ষাপাৰাত অনুষ্ঠিত দ্বিতীয় ক্ৰিকেট টেষ্টৰ আজি তৃতীয় দিনা ভাৰতে কালি এটাও উইকেট নেহেৰুওৱাকৈ সংগ্ৰহ কৰা ৯ ৰানৰ পৰা নিজৰ প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰিব। খেলখন পুৱা ৯ বজাত আৰম্ভ হ'ব। কালি দ্বিতীয় দিনাৰ খেলৰ অন্তত যশস্বী জয়ছোৱালে ৭ আৰু কে এল ৰাহুলে ২ ৰান কৰি খেলি আছিল। ভাৰত সম্প্ৰতি ৪৮০ ৰানত পিছ পৰি আছে।

ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ৪৮৯ ৰাণ সংগ্ৰহ কৰে। দক্ষিণ আফ্ৰিকাৰ ছেনুৰান মুথুস্বামীয়ে ১০৯ ৰান কৰাৰ লগতে মাৰ্কো জেনচেনে ৯৩ ৰাণ কৰে। মুথুস্বামীৰ এয়া হৈছে টেষ্ট ক্ৰিকেটত প্ৰথমটো শতক। ভাৰতৰ হৈ কুলদীপ যাদৱে চাৰিটা উইকেট দখল কৰাৰ বিপৰীতে ৰবীন্দ্ৰ জাদেজা, জছপ্ৰীত বুমৰা আৰু মহম্মদ ছিৰাজে দুটাকৈ উইকেট লাভ কৰে।

০০০০০

ৰাজস্থানত আজিৰে পৰা হ'বলগীয়া খেলো ইণ্ডিয়া ইউনিভাৰ্চিটী গেমছৰ পঞ্চম সংস্কৰণত অলিম্পিয়ান সাঁতোৰবিদ শ্ৰীহৰি নটৰাজ আৰু প্ৰখ্যাত ধনুৰ্বিদ ভজন কৌৰৰ লগত ৫ হাজাৰ খেলুৱৈয়ে অংশ ল'ব। দেশৰ ২৩০ খনতকৈও অধিক বিশ্ববিদ্যালয়ৰ খেলুৱৈয়ে ২৮টা বিভিন্ন শাখাত জয়পুৰ, উদয়পুৰ, যোধাপুৰ, কোটা, আজমেৰ, ভাৰতপুৰ আৰু বিকানেৰৰ বিভিন্ন স্থানত হ'বলগীয়া খেলত অংশ ল'ব। এইবেলি KIUG নামৰ এবিধ নতুন খেল অন্তৰ্ভুক্ত কৰাৰ লগতে কেনয়িং, চাইক্লিং, কায়াকিং আৰু বীচ্ ভলিবলো থাকিব।

০০০০০

সমাপ্ত